# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - - -

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কালি গুৱাহাটীত উপস্থিত হোৱা ষোড়শ বিত্তীয় আয়োগৰ অধ্যক্ষৰ নেতৃত্বত দলটোৱে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেবিনেট মন্ত্ৰীসকলক তথা কেইবাগৰাকীও উচ্চ পদস্থ বিষয়াৰ সৈতে আলোচনাত মিলিত হয়। দলটোৱে লগতে বিভিন্ন ৰাজনৈতিক দল, স্থানীয় সংস্থা, পৰিষদ আৰু উদ্যোগৰ প্ৰতিনিধিৰ সৈতেও আলোচনা কৰে। আলোচনাকালত মুখ্যমন্ত্ৰীয়ে দেশৰ প্ৰতিখন ৰাজ্যৰ বাবে কৰ বিভাজন আৰু দৰিদ্ৰতা দূৰীকৰণৰ বাবে বহুমুখী আৱণ্টনৰ লক্ষ্যৰে শ্ৰেণী বিভাজন কৰাৰ পৰামৰ্শ দিয়াৰ কথা বিত্ত আয়োগৰ অধ্যক্ষ ড০ অৰবিন্দ পানাগাৰিয়াই উল্লেখ কৰে। বৈঠকৰ পাছত সংবাদমাধ্যমক সম্বোধন কৰি অধ্যক্ষগৰাকীয়ে কয় যে, চুবুৰীয়া ৰাজ্যসমূহক পেট্ৰ'লিয়ামজাত সামগ্ৰীকে ধৰি আবকাৰী কৰৰ হাৰ পোৱাৰ বাবে কৰ বিভাজনৰ ক্ষেত্ৰত অসমৰ অংশ হ্ৰাস পাইছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। অধ্যক্ষগৰাকীয়ে লগতে মুখ্যমন্ত্ৰীয়ে দৰিদ্ৰতা দূৰীকৰণৰ লক্ষ্যৰে বহুমাত্ৰিক আৱণ্টনৰ বাবে শ্ৰেণী বিভাজনৰ পৰামৰ্শ আগবঢ়োৱাৰ উপৰি ৰাজ্যসমূহৰ সম্পদৰ পুলৰ পৰা ৫ শতাংশ আৱণ্টন বিচাৰিছে বুলিও জানিবলৈ দিয়ে। উল্লেখযোগ্য যে বিত্তীয় আয়োগৰ দলটোৱে ৰাজ্যখনৰ নেতাসকলৰ সৈতে বিত্তীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ কাৰ্যসূচী লৈছে। কাইলৈ দলটোৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পস্থলী আৰু অন্যান্য স্থান পৰিদৰ্শন কৰিব। দলটোৱে ২০২৫ চনৰ ৩১ অক্টোবৰৰ পূৰ্বে আয়োগৰ পৰামৰ্শসমূহ প্ৰদান কৰিব আৰু এই পৰামৰ্শাৱলী ২০২৬ চনৰ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত কৰ ৰাজহ বিভাজন সন্দৰ্ভত পৰামৰ্শ প্ৰদানৰ বাবে ৰাষ্ট্ৰপতিয়ে বিত্তীয় আয়োগ গঠন কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে আজি জনস্বাস্থ্য কাৰিকৰী তথা গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগত ২৮২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। ইয়াৰ ভিতৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহকাৰী অভিযন্তা পদত ৮১ গৰাকী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী বিষয়া পদত ১০০ গৰাকী আৰু বিত্তীয় ব্যৱস্থাপনা পদত ১০১ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নৱনিযুক্ত প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি নিষ্ঠা, সততা আৰু উৎসৰ্গিত মনোভাৱেৰে সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে, অসমে এবাৰ প্ৰতিশ্ৰুতি পূৰণতে সীমাবদ্ধ থকাত বিশ্বাস নকৰে বৰং এই প্ৰক্ৰিয়া অব্যাহত ৰখাৰ প্ৰয়াস কৰে। আজি মুখ্যমন্ত্ৰীয়ে এই নিযুক্তি পত্ৰসমূহ বিতৰণ কৰাৰ লগে লগে ৰাজ্য চৰকাৰে এক লাখ নিযুক্তিৰ বাবে দিয়া প্ৰতিশ্ৰুতি অতিৰিক্তভাৱে ২৪ হাজাৰৰো অধিক নিযুক্তি সম্পন্ন হ'ল। এতিয়ালৈকে ৰাজ্য চৰকাৰে এক লাখ ২৪ হাজাৰ ৬২৭টা পদত নিযুক্তি প্ৰদান কৰিছে। চৰকাৰে কেৱল লক্ষাধিক নিযুক্তি প্ৰদান কৰাই নহয় সমগ্ৰ প্ৰক্ৰিয়াত স্বচ্ছতা বজাই ৰাখি মেধাৰ ভিত্তিতহে নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিছে বুলি প্ৰকাশ কৰে।

০০০০০০০

অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ একাংশ অঞ্চলত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন, আফস্পাৰ ম্যাদ অহা ১ অক্টোবৰৰ পৰা কাৰ্যকৰী হোৱাকৈ পৰৱৰ্তী ছমাহলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এখন জাননীত এই কথা প্ৰকাশ কৰি কোৱা হৈছে যে অৰুণাচল প্ৰদেশৰ তিনিখন আৰু নাগালেণ্ডৰ ৮খন জিলাকে ধৰি অঞ্চল বিশেষত এই ব্যৱস্থা কাৰ্যকৰী হ'ব। জাননীখনত প্ৰকাশ পোৱা মতে অৰুণাচল প্ৰদেশৰ টিৰাপ, চাংলাং আৰু লংডিং জিলা তিনিখনে সামৰি লোৱা অঞ্চলসমূহৰ লগতে নামছাই জিলাৰ অন্তৰ্গত মহাদেৱপুৰ আৰু চৌখাম থানাৰ অন্তৰ্গত এলেকাসমূহক অশান্ত অঞ্চল হিচাপে চিহ্নিত কৰি আফস্পা প্ৰয়োগৰ ব্যৱস্থা কৰা হৈছে।

আনহাতে, নাগালেণ্ডৰ ৮ খন জিলাই সামৰি লোৱা সমগ্ৰ অঞ্চলৰ লগতে আন ছখন জিলাৰ অংশ বিশেষত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইনৰ ম্যাদ পুনৰ ছমাহৰ বাবে বৃদ্ধি কৰা হৈছে। এই আইন সম্পূৰ্ণৰূপে কাৰ্যকৰী হ'বলগীয়া জিলাকেইখন হ'ল- ডিমাপুৰ, নিউলেণ্ড, চুম'কেডিমা, মন, কিফিৰে, নক্লাক, ফেক আৰু পেৰেন।

০০০০০০০

স্বচ্ছতা হী সেৱা কাৰ্যসূচীৰ অধীনত আজি গোলাঘাট জিলাৰ নেঘেৰিটিং চাৰিআলিত দেৰগাঁও পৌৰসভা, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু কাকডোঙা উন্নয়ন খণ্ডৰ উদ্যোগত এটা স্বচ্ছতা অভিযানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত গোলাঘাট জিলাৰ জিলা উন্নযন আয়ুক্ত, কাকডোঙা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, দেৰগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়াকে ধৰি বহু ব্যক্তিয়ে নেঘেৰিটিং চাৰিআলি পৰিস্কাৰ কৰাৰ কামত অংশগ্ৰহণ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আজি যোৰহাটৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত হিতাধিকাৰীসকলৰ মাজত প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত প্ৰশিক্ষাৰ্থীসকলক আত্মনিৰ্ভৰশীলতাৰ বিভিন্ন আঁচনি সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। অনুষ্ঠানত জিলা আয়ুক্তকে ধৰি বহুকেইগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০০

ডিফু লোকসভা সমষ্টিৰ স্থানীয় সাংসদ এলেকা উন্নয়ন পুঁজিৰ অধীনত আজি বকলীয়াঘাট প্ৰেছ ক্লাৱত এম্বুলেছ প্ৰদান কৰা হয়। এই উপলক্ষে বকলীয়াঘাট পৌৰসভাৰ কাৰ্যালয়ত আয়োজিত সভাত সাংসদ অমৰ চিং তিছ'ৰ উপস্থিতিত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এম্বুলেঞ্চৰ চাবি আৰু নথিপত্ৰসমূহ বকলীয়াঘাট প্ৰেছ ক্লাৱৰ সভাপতি সম্পাদক ওচৰত অৰ্পণ কৰে। সাংসদ শ্ৰী তিছ'ৰে ২০২২-২৩ বৰ্ষত স্থানীয় সাংসদ এলেকা উন্নয়ন পুঁজি আঁচনিৰ অধীনত এম্বুলেঞ্চ সেৱা প্ৰৱৰ্তন কৰা বুলি জানিব দিয়ে। এই অনুষ্ঠানত জিলা আয়ুক্ত প্ৰমুখ্যে স্বায়ত্ত শাসিত পৰষিদৰ কেইবাজনো কাৰ্যবাহী সদস্য উপস্থিত আছিল।

০০০০০০০

সমাপ্ত